**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-OCT-2025
**Time :** 1910 Hrs

***Assamese Evening Bulletin***
***Headlines***

---------------------

১। শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী ড০ হৰিণি অমৰ সূৰ্যাই আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে।

২। দেশৰ প্ৰতিখন জনজাতীয় গাঁৱক আত্মনিৰ্ভৰশীল আৰু স্বাৱলম্বী কৰি তোলাৰ লক্ষ্যৰে আদি কৰ্মযোগী অভিযান আৰম্ভ কৰা হৈছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে।

৩। ত্ৰিপুৰাৰ বাংলাদেশী নাগৰিকৰ সৈতে জড়িত শেহতীয়া ঘটনাক্ৰমে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ পৱিত্ৰতা বৰ্তাই ৰখাৰ বাবে বাংলাদেশে পদক্ষেপ লোৱাৰ আৱশ্যকতা স্পষ্ট কৰিছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে।

৪। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে শেহতীয়া কেইটামান বছৰত দেশৰ আমূল পৰিৱৰ্তন হোৱা বুলি দাবী কৰিছে।

**আৰু**

৫। ভাৰতৰ শীৰ্ষ বাছনি প্ৰাপ্ত তন্‌ভী শৰ্মাই গুৱাহাটীত অনুষ্ঠিত বি ডব্লিউ এফ ৱৰ্ল্ড জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰি পদক নিশ্চিত কৰিছে।

০০০০০০০

শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী ড০ হৰিণি অমৰ সূৰ্যাই আজি নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। শ্ৰীমোদীয়ে তেওঁক আদৰণি জনায়। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে তেওঁৰ এই যাত্ৰা ঐতিহাসিক আৰু এই যাত্ৰাই ভাৰত আৰু শ্ৰীলংকাৰ মাজত বহুমুখী সম্পৰ্কই নতুন গতি প্ৰদান কৰিব। সাক্ষাৎকালত প্ৰধানমন্ত্ৰীদ্বয়ে শিক্ষা, প্ৰযুক্তি উদ্ভাৱন, উন্নয়নমূলক সহযোগিতা আৰু মাছমৰীয়াসকলৰ কল্যাণকে ধৰি বিভিন্ন ক্ষেত্ৰত সহযোগিতা সুদৃঢ় কৰাৰ বিভিন্ন উপায় লৈ আলোচনা কৰে। দুয়ো দেশৰ মাজৰ বিশেষ সম্পৰ্কৰ বিষয়ে আলোকপাত কৰি শ্ৰীমোদীয়ে উভয় দেশৰ উমৈহতীয়া বিকাশ যাত্ৰাৰ বাবে একেলগে কাম কৰাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰে। শ্ৰীমোদীয়ে ৰাষ্ট্ৰপতি অনুৰা কুমাৰা দিশানায়কাক শুভেচ্ছা জ্ঞাপন কৰে আৰু কয় যে তেওঁ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে অবিৰত যোগাযোগ বৰ্তাই ৰাখিবলৈ আহ্বান জনায়। শ্ৰীমোদীয়ে লগতে যোৱা এপ্ৰিলত কৰা শ্ৰীলংকা যাত্ৰাৰ কথা স্মৰণ কৰে। এই ভ্ৰমণ কালত প্ৰধানমন্ত্ৰীয়ে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি দিশানায়কাৰ সৈতে সকলো ক্ষেত্ৰৰ সহযোগিতাক লৈ আলোচনা কৰিছে।

০০০০০০

দেশৰ প্ৰতিখন জনজাতীয় গাঁৱক আত্মনিৰ্ভৰশীল আৰু স্বাৱলম্বী কৰি তোলাৰ লক্ষ্যৰে আদি কৰ্মযোগী অভিযান আৰম্ভ কৰা হৈছে বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। নতুন দিল্লীত আয়োজিত আদি কৰ্মযোগী অভিযান বিষয়ক ৰাষ্ট্ৰীয় সন্মিলনত ভাষণ দি শ্ৰীমতী মুৰ্মুৱে আজি কয় যে এই অভিযানৰ

জৰিয়তে ৰাষ্ট্ৰীয় উন্নয়ন যাত্ৰাত জনজাতীয় সম্প্ৰদায়সমূহৰ অংশগ্ৰহণ আৰু উন্নয়নৰ লাভ জনজাতীয় বসতিপ্ৰধান এলেকালৈ সম্প্ৰসাৰণ সুনিশ্চিত কৰা হ'ব। জনজাতীয় পৰিক্ৰমা মন্ত্ৰালয়ে এই সন্মিলনৰ আয়োজন কৰিছে। সন্মিলনত জনজাতীয় গাঁও দৃষ্টিভংগী ২০২৩ অৱধাৰণাৰ পৰা ৰূপায়ণত গুৰুত্ব আৰোপ কৰা হৈছে। কেন্দ্ৰীয় জনজাতীয় পৰিক্ৰমা মন্ত্ৰী জুৱেল অ'ৰাম, জনজাতীয় পৰিক্ৰমা দপ্তৰৰ ৰাজ্যমন্ত্ৰী, কেন্দ্ৰীয় আৰু ৰাজ্যৰ সচিব, জিলা দণ্ডাধীশ, মাষ্টাৰ প্ৰশিক্ষক আৰু সমগ্ৰ দেশৰ আদি সহযোগী প্ৰতিনিধিসকলে সন্মিলনত ভাগ লৈছে।

oooooo

ত্ৰিপুৰাৰ বাংলাদেশী নাগৰিকৰ সৈতে জড়িত শেহতীয়া ঘটনাক্ৰমে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ পৱিত্ৰতা বৰ্তাই ৰখাৰ বাবে বাংলাদেশে পদক্ষেপ লোৱাৰ আৱশ্যকতা স্পষ্ট কৰিছে বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছৱালে বাংলাদেশৰ তিনিজন চোৰাং বেপাৰীৰ মৃত্যু সন্দৰ্ভত সাংবাদিকক সোধা প্ৰশ্নৰ উত্তৰত আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে এই ঘটনাই সীমান্তৰে হোৱা সন্ত্ৰাসবাদ আৰু অবৈধ সৰবৰাহ ৰোধ কৰাৰ বাবে কাইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ আৱশ্যকতা প্ৰতিফলিত কৰে। যোৱা ১৫ অক্টোবৰত বাংলাদেশৰ তিনিজন দুস্কৃতিকাৰীয়ে আন্তঃৰাষ্ট্ৰীয় সীমান্ত অতিক্ৰম কৰি ভাৰতৰ বিদ্যাবিল গাঁৱৰ পৰা পশুধন চুৰ কৰাৰ চেষ্টা চলাইছিল। মুখপাত্ৰগৰাকীয়ে কয় যে তেওঁলোকে লোৰ লাঠি আৰু চুৰিৰে আক্ৰমণ কৰি কেইবাজনো স্থানীয় লোকক আহত কৰে আৰু এজনক হত্যা কৰে। কৰ্তৃপক্ষই ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হয়। তেওঁলোকে দুজন চোৰাং বেপাৰীক মৃত অৱস্থাত উদ্ধাৰ কৰে। পৰৱৰ্ত্তী দিনা আহত তৃতীয়জনৰ হাস্পতালত মৃত্যু হয়। আৰক্ষীয়ে এই ঘটনা সন্দৰ্ভত এটা গোচৰ ৰুজু কৰিছে।

oooooo

বিজেপিৰ জ্যেষ্ঠ নেতা কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি বিহাৰৰ চাৰণত দলৰ নিৰ্বাচনী প্ৰচাৰ অভিযানৰ পাতনি মেলে। তেওঁ চাৰণত তৰাইয়াৰ বিধায়ক জনক সিং আৰু অমন'ৰ প্ৰাৰ্থী কৃষ্ণ কুমাৰ মণ্টুৰ হৈ প্ৰচাৰ চলায়। চাৰাণত তৰাইয়াত এখন নিৰ্বাচনী সভাত ভাষণ দি শ্ৰীশ্বাহে বিগত দুটা দশক ধৰি ৰাজ্যখনৰ আইন-শৃংখলা বৰ্তাই ৰখাৰ বাবে মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ কয় যে এন ডি এ মিত্ৰজোঁট নীতিশ কুমাৰৰ নেতৃত্বত নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। বিগত ১১ বছৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অৱদানৰ বিষয়ে আলোকপাত কৰি শ্ৰীশ্বাহে তেওঁক দুখীয়াৰ বাবে বৰদান বুলি অভিহিত কৰে। তেওঁ লগতে অপাৰেচন সিন্দুৰক সন্ত্ৰাসবাদৰ বিৰুদ্ধে গ্ৰহণ কৰা গুৰুত্বপূৰ্ণ ব্যৱস্থা বুলি উল্লেখ কৰে। ইয়াৰ পূৰ্বে শ্ৰীশ্বাহে মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ সৈতে তেওঁৰ পাটনাৰ বাসগৃহত এখন বৈঠকত মিলিত হয়। উল্লেখযোগ্য যে বিহাৰত ৬ আৰু ১১ নৱেম্বৰত দুটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। ১৪ নৱেম্বৰত ফলাফল ঘোষণা কৰা হ'ব।

oooooo

সমাগত বিহাৰ বিধানসভা নিৰ্বাচনত ধন, সুৰা, ড্ৰাগছ আদিৰ সৰবৰাহ ৰোধৰ বাবে নিৰ্বাচন আয়োগে আজি আইন বলবৎকাৰী সংস্থাসমূহৰ মুৰব্বীসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। নতুন দিল্লীৰ নিৰ্বাচন সদনত অনুষ্ঠিত এই বৈঠকত মুখ্য নিৰ্বাচনী বিষয়া জ্ঞানেশ কুমাৰৰ লগতে লগতে নিৰ্বাচনী বিষয়া ড০ সুখবীৰ সিং সান্ধু আৰু ড০ বিবেক যোশীয়ে

নিৰ্বাচনত ব্যাঘাত আনিব পৰা ঘটনাসমূহ ৰোধৰ বাবে আইন বলবৎকাৰী সংস্থাসমূহক আগতীয়াকৈ সাজু হৈ থকাৰ পৰামৰ্শ প্ৰদান কৰে। আয়োগে এটা বিবৃত্তিত কয় যে সুকলমে নিৰ্বাচনটো অনুষ্ঠিত কৰিবলৈ সংস্থাসমূহৰ প্ৰস্তুতি তথা পদক্ষেপৰ বিষয়েও আয়োগক অৱগত কৰে। আয়োগে লগতে আইন বলবৎকাৰী সংস্থাসমূহৰ সৈতে অৰ্থনৈতিক অপৰাধ শাখাই একত্ৰিত হৈ কাম কৰাৰো পোষকতা কৰে। সুৰা, ড্ৰাগছ, ধনৰ উপৰিও আপত্তিজনক সামগ্ৰীৰ অবৈধ সৰবৰাহ ৰোধৰ বাবে সমষ্টিসমূহৰ সীমাৰ লগতে আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্ততো চোকা দৃষ্টি ৰাখিবলৈ পৰামৰ্শ দিয়ে। এই বৈঠকতে নিকা আৰু মুক্তভাৱে বিহাৰ বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত সংস্থা সমূহক শূন্য সহনশীল নীতিৰে কাম কৰিবলৈও নিৰ্বাচন আয়োগে আহ্বান জনায়।

oooooo

বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীয়ুষ গোৱেলে শেহতীয়া কেইটামান বছৰত দেশৰ আমূল পৰিৱৰ্তন হোৱা বুলি দাবী কৰিছে। নতুন দিল্লীত আয়োজিত এছোচেমৰ বাৰ্ষিক সন্মিলন আৰু ১০৫ সংখ্যক বাৰ্ষিক সাধাৰণ সভাত ভাষণ দি মন্ত্ৰীগৰাকীয়ে আজি এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে দেশে এতিয়া যিকোনো আলোচনা সবল স্থিতিৰে অংশগ্ৰহণ কৰিবলৈ লৈছে আৰু ইয়াৰ পৰা দেশৰ বৰ্ধিত আৰ্থিক আত্মবিশ্বাস আৰু গোলকীয় পৰ্যায়ত দেশৰ বৰ্ধিত মৰ্যাদা প্ৰতিফলিত হৈছে। শ্ৰীগোৱেলে কয় যে সমগ্ৰ বিশ্বৰ সম্প্ৰতি ভাৰতবৰ্ষ গুৰুত্বপূৰ্ণ বাণিজ্যিক সহযোগী আৰু কাম কৰাৰ বাবে বিশ্বাসযোগ্য দেশৰূপে গণ্য কৰিবলৈ লৈছে। মৰিছাছ, অষ্ট্ৰেলিয়া, সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ আৰু ইউৰোপীয় মুক্ত বাণিজ্য সংস্থাৰ সদস্যৰাষ্ট্ৰসমূহৰ সৈতে স্বাক্ষৰিত মুক্ত বাণিজ্য চুক্তিৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে এই চুক্তিয়ে বিশ্বৰ সৈতে দেশৰ ব্যৱসায়িক সম্পৰ্ক এটা নতুন অধ্যায়ৰ সূচনা কৰিছে। তেওঁ আৰু কয় যে এই চুক্তিসমূহে উচ্চ আয়ৰ বজাৰ সুনিশ্চিত কৰিছে আৰু বিনিয়োগত উদগণি যোগোৱাৰ লগতে উন্নত প্ৰযুক্তিৰ প্ৰবাহ নিশ্চিত কৰি ভাৰতীয় ৰপ্তানিকাৰীসকলৰ বাবে নতুন সুযোগৰ সৃষ্টি কৰিছে।

oooooo

পথ, পৰিবহন আৰু ঘাইপথৰ আন্তঃগাঁঠনি প্ৰকল্পৰ পৰ্যালোচনাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী গতি শক্তিৰ অধীনৰ নেটৱৰ্ক পৰিকল্পনা গোটৰ ১০০ সংখ্যক বৈঠক আজি অনুষ্ঠিত হয়। বৈঠকত প্ৰধানমন্ত্ৰী গতি শক্তি ৰাষ্ট্ৰীয় পৰিকল্পনা অনুযায়ী বহুমুখী যোগাযোগ আৰু পৰিবহন সামৰ্থ্য বৃদ্ধিৰ বিষয়ত গুৰুত্ব আৰোপ কৰা হয়। বৈঠকত দুটা ৰে'ল, দুটা ঘাইপথ আৰু এটা মেট্ৰ' প্ৰকল্পকে ধৰি মুঠ পাঁচটা প্ৰকল্পৰ সংহত বহুমুখী আন্তঃগাঁথনি আৰু আৰ্থসামাজিক হিতৰ মূল্যায়ন কৰা হয়।

oooooo

প্ৰাক্তন সেনাজোৱানসকলৰ অৱদানমূলক স্বাস্থ্য আঁচনি (ইচিএইচএছ)ৰ অধীনৰ ইচিএইচএছ(ECHS) পলিক্লিনিকত উপলব্ধ নোহোৱা ঔষধসমূহ জোৱানসকলক ঘৰতে প্ৰদান কৰাৰ বাবে চৰকাৰে নতুন এটা সেৱাৰ আৰম্ভ কৰিছে। যোগাযোগ মন্ত্ৰালয়ৰ তৰফৰ পৰা এটা বিবৃত্তিত কোৱা হৈছে যে ইচিএইচএছ পলিক্লিনিকত থকা গ্ৰাম্য পৰ্যায়ৰ উদ্যোগী আৰু সেৱা কেন্দ্ৰসমূহৰ জৰিয়তে ঔষধৰ ক্ৰয় আৰু পেকেজিঙ কৰা হ'ব। এই সেৱাৰ অধীনত ভাৰতীয়

ডাক বিভাগৰ সামগ্ৰীৰ পৰিবহন ব্যৱস্থাই ঘৰে ঘৰে ঔষধ প্ৰদানৰ ব্যৱস্থাটোৰ তদাৰক কৰিব। মন্ত্ৰালয়ে লগতে কয় যে এই কল্যাণকামী প্ৰকল্প তথা ৰাজহুৱা সেৱাৰ বাবে ভাৰতীয় ডাক বিভাগক জড়িত কৰাটোৱে ডাক বিভাগৰ প্ৰতিশ্ৰুতিক প্ৰতিফলিত কৰে। ৰাষ্ট্ৰ নিৰ্মাণ আৰু জনসাধাৰণৰ কল্যাণৰ ক্ষেত্ৰত বিশ্বাসী অংশীদাৰ হিচাপে ভাৰতীয় ডাক বিভাগে শক্তিশালী ভূমিকা পালন কৰিব আৰু এই সেৱাৰ জৰিয়তে সময়মতে আৰু নিৰ্ভৰযোগ্য ঔষধ প্ৰদান কৰাটো নিশ্চিত কৰিব।

০০০০০০

ইজিপ্তৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ বদৰ অব্দেলটীয়ে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰে। সাক্ষাৎকালত প্ৰধানমন্ত্ৰী মোদীয়ে **গাজা শান্তি চুক্তি** শান্তি চুক্তিৰ ক্ষেত্ৰত পালন কৰা গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবে ৰাষ্ট্ৰপতি অব্দেল ফটৰ অল চিচিক ধন্যবাদ জ্ঞাপন কৰে আৰু এই চুক্তিয়ে অঞ্চলটোত স্থায়ী শান্তি স্থাপন কৰিব বুলি আশা প্ৰকাশ কৰে। বিদেশ মন্ত্ৰী অব্দেলটীয়ে প্ৰধানমন্ত্ৰী মোদীক তেওঁৰ ভ্ৰমণ কালত হ'বলগীয়া প্ৰথম ভাৰত-ইজিপ্ত ৰণকৌশল বাৰ্তাৰ বিষয়ে অৱগত কৰে। প্ৰধানমন্ত্ৰীয়ে বাণিজ্য, প্ৰযুক্তি, শক্তি, প্ৰতিৰক্ষা আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ককে ধৰি দ্বিপাক্ষিক সহযোগিতা বিভিন্ন ক্ষেত্ৰত লাভ কৰা অগ্ৰগতিক লৈ সন্তুষ্টি প্ৰকাশ কৰে।

০০০০০০

ভাৰতৰ শীৰ্ষ বাছনি প্ৰাপ্ত তন্‌ভী শৰ্মাই গুৱাহাটীত অনুষ্ঠিত বি ডব্লিউ এফ ৱৰ্ল্ড জুনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপৰ মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰি পদক নিশ্চিত কৰিছে। তন্‌ভী শৰ্মাই আজি কোৱাৰ্টাৰ ফাইনেলত জাপানৰ শ্বাকি মাটছুমটোক ১৩-১৫, ১৫-৯, ১৫-১০ গেমত পৰাস্ত কৰে। অৱশ্যে ভাৰতৰ আন এগৰাকী খেলুৱৈ উন্নতি হুদা থাইলেণ্ডৰ অন্যাপট ফিচিটফোনৰ হাতত ১২-১৫, ১৩-১৫ গেমত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। একেদৰে মিক্সড্ ডাবলছ্‌ত ভাব্য ছাব্ৰা আৰু বিশাখা টপ্পোৰ যুটীটো আজি চীনা টাইপেইৰ হাং বিংফু আৰু শ্বৌ য়ুন য়ানৰ হাতত ৯-১৫, ৭-১৫ গেমত পৰাজিত হয়।

০০০০০০

সমাপ্ত